জাতিৰ সেৱাত উৎসৰ্গিত ৬২ বছৰ

দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত

https://dainikasam.in

।৫১ সংখ্যা, ৭ আহিন, শুকুৰবাৰ, ১৯৪৮ শক। DAINIK ASAM : Assamese Daily। VOL. 62 NO. 51। DIBRUGARH, FRIDAY, SEPTEMBER 25, 2026 । পৃষ্ঠা ১৬ (Pages

বিনিময় অনুষ্ঠান অনুষ্ঠিত হয়। বিদ্যালয়ৰ প্ৰধান শিক্ষক পৱন কুমাৰ বৰাই উদ্দেশ্য ব্যাখ্যা কৰা সভাত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ তৰফৰ পৰা বিদ্যালয়ৰ স্মৃতি সুঁৱৰি বক্তব্য দত্ত, দিব্যশ্ৰী ৰাজকুমাৰী, ৰয়েল আলীকে ধৰি বহুজনে। সভাত বিদ্যালয়ৰ আন্তঃগাঁথনিকে ধৰি বিদ্যালয়ৰ অতীত-বৰ্তমান সম্পৰ্কে বক্তব্য দাঙি ধৰে প্ৰাক্তন

অনুষ্ঠানত ডঃ জয়কৃষ্ণ মহন্ত

ৱন্তৰ নাম লোৱা হয়

সকলক পুৰস্কাৰ বিতৰণ কৰে খিকা ডঃ ভাৰতী দত্ত আৰু জ্যেষ্ঠ ৰতন হাজৰিকাই। ডেৰ শতাধিক ষ্ণৱৰ উপস্থিতিত উদ্‌যাপন াংস্কৃতিক সম্পাদক পদুমপোনা ত ধৰা আৰু সম্পাদক ত্ৰৈলোক্য াদৰণী ভাষণ প্ৰদান কৰা সভাৰ হয় অংকিতা বৰাৰ বৰগীত পৰিৱেশনেৰে। সভাত আয়ুসী বৰগোহাঁইৰ একক আৰু উৰ্মিমালা দুৱৰা আৰু অৰ্চিতা ফুকনৰ দ্বৈত সত্ৰীয়া নৃত্যৰ লগতে প্ৰস্তুতি বৰদলৈ পৰিচালিত দলীয় দশাৱতাৰ নৃত্য আৰু দীপ্তি কাকতিৰ পৰিচালনাত আয়তীসকলৰ দিহানামে সভাখনিৰ সৌষ্ঠৱ বৃদ্ধি কৰে। ইয়াৰ পূৰ্বে পুৱাৰ ভাগত ভকত-বৈষ্ণৱ আৰু আয়তীসকলৰ দ্বাৰা এক আকৰ্ষণীয় ধৰ্মীয় শোভাযাত্ৰা মুকলি কৰে প্ৰদীপ কোঁৱৰে। উল্লেখ্য যে দুদিনীয়াকৈ অনুষ্ঠিত সোণালী জয়ন্তী বৰ্ষৰ সামৰণী অনুষ্ঠানৰ ২১ ছেপ্টেম্বৰৰ দিনা পুৱাৰ ভাগত নাম-প্ৰসংগৰে আৰম্ভ হোৱা অনুষ্ঠানত ঘোষাৰ ব্যাখ্যা কৰে নীপ্‌কোৰ অৱসৰপ্ৰাপ্ত ... মহাপ্ৰবন্ধক হৰিকৃষ্ণ চাংমায়ে। ইয়াৰ পাছতে নামঘৰৰ বহুকেইগৰাকী বয়োজ্যেষ্ঠ ভকত-বৈষ্ণৱক সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়।

আজি কানৈ মহাবিদ্যালয়ত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ অনুষ্ঠান

দৈনিক অসমৰ বিশেষ প্ৰতিনিধি

ডিব্ৰুগড়, ২৪ ছেপ্টেম্বৰ ঃ অসমৰ একমাত্ৰ মুক্ত বিশ্ববিদ্যালয় কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে ২৫ ছেপ্টেম্বৰত ডি এইচ এছ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ অধ্যয়ন কেন্দ্ৰৰ সহযোগত ডিব্ৰুগড়, তিনিচুকীয়া আৰু চৰাইদেউ জিলাৰ ছাত্ৰ-ছাত্ৰীসকলৰ উদ্দেশ্যে এক বিশেষ অনুষ্ঠানৰ আয়োজন কৰিছে। কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ বিভিন্ন অধ্যয়ন কেন্দ্ৰত ইতিমধ্যে দূৰ শিক্ষা ব্যৱস্থাৰ জৰিয়তে মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় পৰ্যায়ৰ বিভিন্ন অধ্যয়ন আঁচনিৰ অধীনত বহুতো শিক্ষাৰ্থীয়ে শিক্ষা গ্ৰহণ কৰাৰ সুযোগ লাভ কৰিছে। সমান্তৰালভাৱে এই ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন কাৰণত অথবা সময়ৰ অভাৱত তেওঁলোকৰ বিশ্ববিদ্যালয়ৰ তৰফৰ পৰা প্ৰদান কৰা মূল উত্তীৰ্ণৰ প্ৰমাণপত্ৰ গ্ৰহণ কৰিব পৰা নাই, সেয়েহে এনে ছাত্ৰ-ছাত্ৰীসকলক উপকৃত কৰিব পৰাকৈ কানৈ মহাবিদ্যালয়ৰ লালচান্দ কানৈ প্ৰেক্ষাগৃহত বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য, পঞ্জীয়ক আৰু আন প্ৰশাসনিক বিষয়াসকলৰ উপস্থিতিত মানপত্ৰ প্ৰদানৰ এক অনুষ্ঠান অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। কানৈ মহাবিদ্যালয়ৰ অধ্যয়ন কেন্দ্ৰৰ সমন্বয়ক ডঃ বিৰাজ দত্তই জনোৱা মতে, এই তিনিখন জিলাৰ প্ৰায় দুই হাজাৰ ছাত্ৰ-ছাত্ৰীক মানপত্ৰ প্ৰদান কৰাৰ প্ৰস্তুতি ইতিমধ্যে সম্পন্ন হৈছে, সেয়েহে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ সকলো শিক্ষাৰ্থীকে উক্ত অনুষ্ঠানত যোগদান কৰিবলৈ সমন্বয়কগৰাকীয়ে আহ্বান জনাইছে।